# BOOK and ART EXHIBITION

### ORGANISED BY

## SADIYA COLLEGE CENTRAL LIBRARY

### IN COLLABORATION WITH

## SADIYA SHAKHA SAHITYA SABHA

Sadiya College Central Library, in collaboration with Sadiya Shakha Sahitya Sabha organized a **Book and Art Exhibition** on 7th April, 2024 in Sadiya College as an extension activity. The Book Exhibition was inaugurated by Dr. Bhupen Chutia, Principal of Sadiya College. On that day, variety of books were exhibited for the readers to know the various literary works available in the library.

**Main objectives:**

- To introduce the literature works of various renowned writers.
- To develop the readers' interest in literature and motivate them.
- To develop the reading habit among the students.

# Images


শদিয়া স্বৰ্ণদল শাখা সাহিত্য সভা
যুৱ সংসদ আৰু
শদিয়া মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ
গ্ৰন্থ ও চিত্ৰ
তাৰিখ ঃ ৭
স্থান ঃ শদিয়া




শদিয়া স্বৰ্ণদল শাখা সাহিত্য সভা
যুৱ সংসদ আৰু
শদিয়া মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ উদ্যোগত
গ্ৰন্থ ও চিত্ৰ

তিনিচুকীয়া, মঙলবাৰ, ২৬ চ'ত, ১৯৪৫ শক

আঞ্চলিক

দৈনিক জনমভূমি

# শদিয়া স্বৰ্ণদল শাখা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশন সম্পন্ন




শদিয়া ঃ নিজা প্ৰতিবেদক, ৮ এপ্ৰিল ঃ শদিয়া স্বৰ্ণদল শাখা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশনখন আজি এদিনীয়া কাৰ্যসূচীৰে শদিয়া মহাবিদ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত হয়। অধিৱেশন উপলক্ষে পুৰা সভাৰ পতাকা উত্তোলন কৰে শাখা সাহিত্য সভাৰ সভানেত্ৰী দীপালি চেতিয়া বৰগোহাঞিয়ে আৰু স্মৃতি তৰ্পণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে শাখাৰ প্ৰাক্তন সভাপতি প্ৰবীণ কুমাৰ দেউৰীয়ে। ইয়াৰ পিছতে শাখা সাহিত্য সভাৰ কুঁহি অনুষ্ঠানৰ আহ্বায়িকা মিনি সৰকাৰৰ পৰিচালনাত শিশুসকলে অনুষ্ঠান পৰিৱেশন কৰে। ইয়াৰ পিছতে অধিৱেশনৰ লগত সংগতি ৰাখি শদিয়া শাখা সাহিত্য সভাৰ যুৱ সংসদ আৰু শদিয়া মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ উদ্যোগত অনুষ্ঠিত কৰা গ্ৰন্থ আৰু চিত্ৰ প্ৰদৰ্শন কাৰ্যসূচী উদ্বোধন কৰে শদিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেন চুতীয়াই। মুকলি সভাত সভাপতিত্ব কৰে শাখাৰ সভানেত্ৰী দীপালি চেতিয়া বৰগোহাঞিয়ে, উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক সন্তোষ শৰ্মাই আৰু আঁত ধৰে সহকাৰী সম্পাদিকা তথা শদিয়া মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিকা মঞ্জুলা বৰুৱা বৰাই। সভাত মুখ্য অতিথি ৰূপে বক্তব্য আগবঢ়ায় অসম সাহিত্য সভাৰ উপ-সভাপতি ডাঃ গিৰীশ সন্দিকৈয়ে। তদুপৰি শদিয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা প্ৰীতিৰাণী দত্তই সভাত নিৰ্দিষ্ট বক্তা ৰূপে অংশগ্ৰহণ কৰি 'অসমীয়া ভাষা উত্তৰণত অসম সাহিত্য সভাৰ ভূমিকা' সন্দৰ্ভত বক্তব্য আগবঢ়ায়। সভাখনত তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি মোহন মৰাণ, সম্পাদক মনজিৎ গোহাঁই, অসম সাহিত্য সভাৰ বামধেনু উপ-সমিতিৰ কাৰ্যকৰী সভাপতি পুলক গগৈ, অসম সাহিত্য সভাৰ আমন্ত্ৰিত সদস্য দেৱেন দত্ত, অসম সাহিত্য সভাৰ তিনিচুকীয়া জিলাৰ প্ৰতিনিধি অৰুণিমা সন্দিকৈ, অসম চৰকাৰৰ প্ৰণাম আয়োগৰ আয়ুক্ত যোগমালা বুঢ়াগোহাঁই, কুণ্ডিল লেখিকা সমাৰোহ সমিতিৰ সম্পাদিকা মৃদুলা গগৈ, মিচিং সাহিত্য সভাৰ শদিয়া শাখাৰ সভাপতি কৰ্মকান্ত দলে, দেউৰী সাহিত্য সভাৰ শদিয়া জিলা সমিতিৰ সভাপতি হৰিপ্ৰসাদ দেউৰী অতিথি ৰূপে উপস্থিত থাকে। অনুষ্ঠানতে শদিয়া নিৱাসী এগৰাকী জ্যেষ্ঠ কবি গোপীনাথ বুঢ়াগোহাঞিৰ কাব্য সংকলন 'শেষ সীমনাৰ সন্ধানত', অন্য এগৰাকী স্থানীয় জ্যেষ্ঠ কবি ব্ৰজেন বৰুৱাৰ 'ভিন্ন ৰসৰ কবিতা' (কবিতা পুথি) আৰু স্থানীয় লেখিকা যোগমায়া গগৈৰ গ্ৰন্থ 'অনুভূতিৰ দলিচা' নামেৰে শাখা সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত তিনিখন গ্ৰন্থ উন্মোচন কৰে। অনুষ্ঠানত শদিয়া স্বৰ্ণদল শাখা সাহিত্য সভাৰ কুঁহি, আকাশ উপ-সমিতিৰ সদস্য-সদস্যা সকলৰ দ্বাৰা বৰগীত, দিহানাম বিয়ানাম, কবিতা পাঠ আৰু শদিয়া মহাবিদ্যালয়ৰ যুৱ সংসদৰ কৰ্মকৰ্তা সকলে বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে।